কেইৱাখনো গ্ৰন্থ উন্মোচন ঃ বৃহৎ নদীবান্ধবিষয়ক আলোচনা

২৬/০২/২৪ আমাৰ অসম

# যোৰহাট কলেজৰ কহিনুৰ জয়ন্তীৰ সামৰণি

**প্ৰতিদিন সংবাদ, যোৰহাট, ২৬ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ উচ্চশিক্ষাৰ অন্যতম অনুষ্ঠান যোৰহাট মহাবিদ্যালয়ৰ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত কহিনুৰ জয়ন্তীৰ কালি সামৰণি পৰে। এই উপলক্ষে কালি বিয়লি জেহিৰুদ্দিন আহমেদ সোঁৱৰণী ক্ষেত্ৰত কথাশিল্পী ডিম্বেশ্বৰ দয়াল শৰ্মা মঞ্চত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয় কহিনুৰ জয়ন্তীৰ মুকলি সভা। এই সভাতে স্মৃতিগ্ৰন্থ 'কহিনুৰ' উন্মোচন কৰে সতীসাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। আনহাতে

■ ১৩ পৃষ্ঠাত



# যোৰহাট কলেজৰ কহিনুৰ জয়ন্তীৰ সামৰণি

ড° সৌমিত্ৰ পূজাৰী সম্পাদিত যোৰহাট মহাবিদ্যালয়ৰ ইতিহাস 'পৰিক্ৰমা' আৰু ড° বিদ্যুৎ বৰাই সম্পাদনা কৰা স্মাৰকগ্ৰন্থ আৰু হীৰাৱলী সঁফুৰা উন্মোচন কৰে নাগালেণ্ড ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হেমেন্দ্ৰ নাথ দত্তই। মহাবিদ্যালয়ৰ নৈশ চকীদাৰ অমিয় কুমাৰ বৰাৰ এখন কবিতা পুথি উন্মোচন কৰে ড° পৰাণ বৰুৱাই। এই মুকলি সভাতে ড° পৰাণ বৰুৱাৰ পৰিবেশ আৰু বিজ্ঞানৰ কিছু কথা, মৌচুমী মহন্ত আৰু মনীষা দুৱৰাই সম্পাদনা কৰা মহিলা কোষৰ পত্ৰিকা, ড° দেৱব্ৰত শৰ্মাৰ 'জাতীয় ইতিহাসৰ ৰূপৰেখা', ড° ৰণজিৎ ভট্টাচাৰ্যৰ অনূদিত কাব্যগ্ৰন্থ, মনীষা দুৱৰাৰ 'কলাজ', ড° মৌচুমী মহন্তৰ 'অভিযাত্ৰী তুমি অমৃত সন্ধানী' আদি কেইখনো গ্ৰন্থ ক্ৰমে ড° অলক কুমাৰ বুঢ়াগোহাঁই, বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাস, ড° দেৱব্ৰত শৰ্মা, ড° হেমেন্দ্ৰনাথ দত্ত আদিয়ে উন্মোচন কৰে। আনহাতে যোৰহাট মহাবিদ্যালয়ৰ মুখপত্ৰ 'জেচিয়ান' উন্মোচন কৰে সুখ্যাত চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসে। মুকলি সভাৰ মুখ্য অতিথিৰ ভাষণত প্ৰাক্তন উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে অংশগ্ৰহণ কৰে। আনহাতে বিশিষ্ট অতিথিৰ ভাষণ আগবঢ়ায় আন্তৰ্জাতিক খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসে। উল্লেখযোগ্য যে মুকলি সভাৰ পূৰ্বে কহিনুৰ জয়ন্তী উপলক্ষে সমাজতত্ত্ব আৰু অৰ্থনীতি বিভাগৰ যৌথ উদ্যোগত 'অসমত বৃহৎ নদীবান্ধৰ আৰ্থ-সামাজিক প্ৰভাৱ' শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। যোৰহাট মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ৰাণা গোস্বামীয়ে আদৰণী ভাষণ দিয়া আলোচনাচক্ৰখন উদ্বোধন কৰে প্ৰাক্তন উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে। ভাষণ প্ৰসংগত তেওঁ বৃহৎ নদীবান্ধৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰ ফঁহিয়াই দেখুৱাই মানুহ আৰু প্ৰকৃতি অনুকূল উন্নয়নৰ বাবে আহ্বান জনায়। আলোচনাচক্ৰখনত সমল ব্যক্তি হিচাপে যোগদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° সিদ্ধাৰ্থ কুমাৰ লাহিড়ীয়ে কয়— বৃহৎ নদীবান্ধ নিৰ্মাণৰ বাবেই নতুন উপনিবেশিকতাৰ উত্থান। এনে নদীবান্ধ মাৰ্কা উন্নয়নৰ বিৰোধিতা কৰি ড° লাহিড়ীয়ে কয়— এনে বৃহৎ বৃহৎ নদীবান্ধৰ বাবেই সোৱণশিৰি, চিয়াং, ভূটানৰ কুৰিশ্ব আদি নদীৰ বিপৰ্যয়ৰ ফলত হেজাৰ বছৰীয়া জনবসতি, সমাজ-সংস্কৃতি সকলো ভয়ংকৰ প্ৰত্যাহ্বানৰ মুখামুখি হৈছে। আলোচনাচক্ৰখন সঞ্চালনা কৰে যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই। নিশালৈ অনুষ্ঠিত টংকেশ্বৰ লহং সোঁৱৰণী বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়া মুকলি কৰে চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসে।